অধ্যায় ৫ ঃ অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীয় অৱদান

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অসমৰ নৃগোষ্ঠীসমূহ

- ৫.৩.১ ভূমিকা
- ৫.৩.২ নৃগোষ্ঠীসমূহৰ প্ৰজাতিগত (Racial) পৰিচয়

৫.৪ অসমীয়া লোকসংস্কৃতিলৈ নৃগোষ্ঠীয় অৱদান

- ৫.৪.১ মৌখিক সাহিত্য
- ৫.৪.২ ভৌতিক সংস্কৃতি
- ৫.৪.৩ সামাজিক লোকাচাৰ
- ৫.৪.৪ লোক-পৰিৱেশ্য কলা
- ৫.৪.৫ ভাষা-সাহিত্য আৰু অন্যান্য বিভিন্ন দিশত অৱদান

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নৃগোষ্ঠী মানে কি, তাৰ ধাৰণা লাভ কৰিব
- অসমৰ নৃগোষ্ঠীসমূহৰ পৰিচয় লাভ কৰাৰ লগতে নৃগোষ্ঠী আৰু জনজাতি পৰিভাষা দুটাৰ লগত পৰিচিত হ'ব
- অসমত বসবাস কৰা নৃগোষ্ঠীসমূহৰ প্ৰজাতিগত আৰু ভাষিক পৰিচয় লাভ কৰিব
- অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীসমূহৰ অৱদানৰ আভাস পাব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ইতিমধ্যে 'বৰ অসম' ধাৰণাটোৰ বিষয়ে কিছু কথা পঢ়িলে। বৰ অসম গঢ়ি তোলাত বিভিন্ন জাতি-জনজাতিৰ অৰিহণা মন কৰিবলগীয়া। সেই ফালৰ পৰা বিচাৰ কৰিলে অসমে নিজৰ বুকুৰ মাজত বৰ্ণাঢ্য ভাষাগোষ্ঠীক স্থান দিছে। এই অধ্যায়টোত তেনে এটা বিষয়বস্তু অধ্যয়নৰ আলোচনা কৰিবলৈ লোৱা হৈছে। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীয় অৱদান'।

৫.৩ অসমৰ নৃগোষ্ঠীসমূহ

৫.৩.১ ভূমিকা

অসমীয়া ভাষাত 'নৃগোষ্ঠী' বা 'জনগোষ্ঠী' শব্দযুগল ইংৰাজী ভাষাৰ Ethnic Groupৰ প্ৰতিশব্দ ৰূপে ব্যৱহাৰ কৰা হয়। *The New Encyclopaedia Brithannica*ত Ethnic Groupৰ অৰ্থ এইদৰে দিয়া হৈছে— "A Social group or category of the population that in a large society, is set apart and bound together by common ties of race. language. nationality or culture."(অৰ্থাৎ, এখন বৃহত্তৰ সমাজৰ জনসংখ্যাৰ মাজৰ একোটা সামাজিক গোট বা ভাগ, এই ভাগবোৰ গঠন হয় প্ৰজাতি, ভাষা, জাতীয়তা বা সংস্কৃতিৰ উমৈহতীয়া বন্ধনৰ ভিত্তিত।)

নৃতত্ত্বই পৃথিৱীৰ মানৱ গোটক জৈৱিক (Biological) তথা বিশুদ্ধ শাৰীৰিক উপাদানৰ ভিত্তিত কিছুমান প্ৰজাতিত (Race) ভাগ কৰিছে। এনে প্ৰজাতিৰ মাজতে ঐতিহাসিক বিৱৰ্তনৰ মাজেদি সুকীয়া সুকীয়া সাংস্কৃতিক আৰু জৈৱিক বৈশিষ্ট্য বহন কৰা কিছুমান সামাজিক গোটৰ বিকাশ হয়। সৰল অৰ্থত এই গোটসমূহেই জনগোষ্ঠী বা নৃগোষ্ঠী। অৱশ্যে ভাষিক ভিত্তিতো নৃগোষ্ঠী একোটা চিনাক্ত কৰিব পাৰি। ধীৰেন্দ্ৰনাথ মজুমদাৰে এনে ভাষাভিত্তিক বিভাজনৰ আধাৰতে অসমৰ জনগোষ্ঠীসমূহৰ আলোচনা কৰিছে।

একোটা জনগোট নৃগোষ্ঠী ৰূপে বিবেচিত হ'বলৈ কেইটামান বৈশিষ্ট্যৰ প্ৰয়োজন। যেনে— একে বা একেমূলীয়া ভাষা, স্বকীয় সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰম্পৰা, নিকট প্ৰশাসনীয় অঞ্চল বা উমৈহতীয়া বসতিস্থল, অন্তঃবৈবাহিক সম্বন্ধ, গোষ্ঠীগত বান্ধোন আদি।

চাবলৈ গ'লে 'জনজাতি' আৰু 'নৃগোষ্ঠী'ৰ মাজত পাৰ্থক্য নাই। সকলো জনজাতি (Tribe)য়েই মূলতঃ নৃগোষ্ঠী, পাৰ্থক্য মাথোঁ ইমানেই যে জনজাতিসকল বস্তুসংস্কৃতিৰ ফালৰ পৰা পাছ পৰা আৰু বেছি ৰক্ষণশীল। নৃগোষ্ঠীৰ মাজত থকা গোষ্ঠীগত বান্ধোন জনজাতিৰ মাজত বেছি কটকটীয়া।

অসমত সম্প্ৰতি বসবাস কৰি থকা নৃগোষ্ঠীসমূহে ইতিহাসৰ বহুযুগৰ সহাৱস্থান-সংমিশ্ৰণ আৰু আধুনিকতাৰ পৰশত ওপৰত উল্লেখ কৰা বৈশিষ্ট্যসমূহ যথাৰূপত সংৰক্ষণ কৰা নাই। কিন্তু তাৰ মাজতো জৈৱিক প্ৰজাতিগত বৈশিষ্ট্য আৰু সাংস্কৃতিক স্বকীয়তা বৰ্তি আছে। মূলতঃ ভাষাৰ ভিত্তিতেই অসমৰ নৃগোষ্ঠীসমূহৰ আলোচনা কৰিবলৈ সহজ। অসমৰ নৃগোষ্ঠীসমূহ হ'ল— বড়ো, ৰাভা, গাৰো, কোচ (ৰাজবংশী), তিৰা, মিচিং, সোনোৱাল কছাৰী, আহোম, মৰাণ-মটক, ঠেঙাল কছাৰী, কাৰ্বি, ডিমাছা, হাজং, চিংফৌ,

ফাকিয়াল, খামতি, তুৰুং ইত্যাদি। তদুপৰি চুবুৰীয়া ৰাজ্যসমূহত বসবাস কৰা নগা, খাচী, অকা, নিচি, মণিপুৰী-মেইতে, ত্রিপুৰী, মিজো আদি নৃগোষ্ঠীৰ লোকো সামান্যভাৱে সিচঁৰতি হৈ আছে। মন কৰিবলগীয়া যে ঐতিহাসিকভাৱে এইসকলো একে সাংস্কৃতিক পৰিমণ্ডলৰ ভিতৰুৱা।

উল্লিখিত নৃগোষ্ঠীসমূহৰ বেছিভাগেই ভাৰতীয় সংবিধানত (Schedule Tribes) বা অনুসূচীত জনজাতি হিচাপে স্বীকৃত। পাহাৰীয়া আৰু ভৈয়ামবাসী ৰূপেও জনগোষ্ঠী/নৃগোষ্ঠীসমূহক ভাগ কৰিব পাৰি।

৫.৩.২ নৃগোষ্ঠীসমূহৰ প্রজাতিগত (Racial) পৰিচয়

নৃতত্ত্ববিদসকলে পৃথিৱীক মানুহক মূলত তিনিটা প্রজাতিত ভাগ কৰিছে— নেগ্রিটো, ককেছীয় আৰু মঙ্গোলীয়। কোনো কোনোৱে 'অষ্ট্রলয়ড' বুলি আৰু এটা প্রজাতি অন্তর্ভুক্ত কৰে যদিও বহুতে 'অষ্ট্রলয়ড'ক প্রাচীন ককেছীয় বুলি ককেছীয়ৰ অন্তর্ভুক্ত কৰিব খোজে। এওঁলোককে কোনোৱে আকৌ প্রাক্-দ্রাবিড় আৰু কোনোৱে নিষাদ বুলি কৈছে। আৱয়বিক বৈশিষ্ট্য আৰু গাৰ বৰণৰ ফালৰ পৰা অষ্ট্রলয়ড আৰু ককেছীয়সকলৰ মূলগত পার্থক্য লক্ষ্য কৰি সেয়ে চাৰিটা ভাগ কৰাই উচিত বুলি একাংশ পণ্ডিতে মত প্রকাশ কৰে।

এই চাৰিটা ভাগৰো বহুতো উপশাখা আছে।

প্রাক্-ঐতিহাসিক কালৰে পৰা বিভিন্ন পথেৰে অসমলৈ বিভিন্ন প্রজাতিৰ মানুহৰ প্রব্রজন ঘটিছিল। মহম্মদ তাহেৰে এই প্রব্রজনসমূহক দহোটা ভাগত ভগাইছে—

১) অষ্ট্রো-এছিয়াটিক বা অষ্ট্রলয়ড গোষ্ঠীৰ প্রবাহ
২) মঙ্গোলয়ড (তিব্বেতো-বার্মিজ) প্রবাহ
৩) ভাৰতীয় আর্য্যৰ প্রবাহ
৪) ইছলাম ধর্মাৱলম্বী গোটৰ প্রবাহ
৫) টাই-আহোমসকলৰ প্রবাহ
৬) অন্যান্য টাইগোষ্ঠীৰ প্রবাহ
৭) বৃটিছ শাসনকালত বঙালী, মাৰোৱাৰী আদি লোকৰ প্রবাহ
৮) চাহ বাগিচাৰ শ্রমিকসকলৰ প্রবাহ
৯) পূর্ববঙ্গীয় মুছলমান খেতিয়কৰ প্রবাহ
১০) পূর্ববঙ্গৰ হিন্দু শৰণার্থীৰ প্রবাহ

অসমৰ নৃগোষ্ঠীসমূহৰ আলোচনাৰ বাবে ইয়াৰে প্রথম দুটা প্রবাহ আৰু ৫)নং আৰু ৬)নং প্রবাহ অতি গুৰুত্বপূর্ণ। পৰৱর্তী সময়ত চাহবাগিচাৰ শ্রমিক ৰূপে বিভিন্ন ঠাইৰ পৰা অহা বিভিন্ন সাংস্কৃতিক ভাষিক পৰিচয়ৰ জনগোটবোৰ মিলি অসমত 'চাহ জনগোষ্ঠী' ৰূপে পৰিচয় লাভ কৰিছে। এই প্রসঙ্গ এই আলোচনাত সামৰা নহ'ব।

অসমৰ মানুহৰ মাজত নেগ্রিটো প্রজাতিৰ মানুহৰ অৱস্থিতি দেখা নাযায়; অন্ততঃ আজি পর্যন্ত তাৰ স্পষ্ট প্রমাণ হোৱা হোৱা নাই। হাটনে নগাসকলৰ মাজত নেগ্রিটো লক্ষণ দেখা পোৱা বুলি অভিমত দিলেও শশাঙ্কশেখৰ সৰকাৰ প্রমুখ্যে বিশিষ্ট নৃতত্ত্ববিদ-সকলে স্বীকাৰ কৰা নাই।

পণ্ডিতসকলৰ মতে, অষ্ট্রলয়ডসকলেই ভাৰতবর্ষ তথা অসমৰ প্রাচীনতম বাসিন্দা। এওঁলোককে প্রাচীন ভাৰতীয় সাহিত্যত 'নিষাদ' বোলা হৈছে। চুটি-চাপৰ, গাৰ বৰণ ক'লা, নাক বহল, মূৰ দীঘলীয়া আৰু ক'লা টৌ খেলা চুলি এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য।

ভাৰতৰ দক্ষিণ অঞ্চলৰ দ্রাবিড় ভাষা কোৱা লোকসকলৰ মাজত অষ্ট্রেলীয় উপাদান লক্ষ্য কৰা যায়। তদুপৰি ছোটনাগপুৰ, ঝাৰখণ্ড, হিমালয়ৰ পাদদেশৰ কোনো কোনো অঞ্চল, আদিত অষ্ট্রেলীয় প্রজাতি সিঁচৰতি হৈ আছে বুলিব পাৰি।

অসমত অষ্ট্রেলীয় প্রজাতিৰ কোনো জৈৱিক উপাদানৰ প্রত্যক্ষ প্রমাণ পোৱা নাই। কিন্তু অসমৰ মানুহৰ সাংস্কৃতিক জীৱন প্রবাহৰ মাজত অষ্ট্রেলীয় প্রজাতিৰ একালৰ অৱস্থিতিক উমান পাব পাৰি। খাছীসকলৰ খাছী ভাষাটো অষ্ট্রিক ভাষাগোষ্ঠীৰ এটা পোনপটীয়া ঠাল। সম্ভৱতঃ খাছীসকলৰ পূর্বপুৰুষসকল ইয়ালৈ আহি অষ্ট্রেলীয়সকলক লগ পাইছিল আৰু সংমিশ্রণৰ ফলত তেওঁলোকৰ ভাষাটো গ্রহণ কৰিছিল।

ভূৱনমোহন দাসৰ মতে, "খাছীসকল প্রকৃততে অষ্ট্রেলীয়। পিছত অহা মঙ্গোলীয়ৰ লগত তেওঁলোক সম্পূর্ণ ৰূপে মিহলি গৈ গ'ল। এই নতুন জনগোটটোৱে অষ্ট্রিক ভাষা সংৰক্ষণ কৰিলে। কিন্তু আৱয়বিক বৈশিষ্ট্যত মঙ্গোলীয় লক্ষণসমূহ প্রকট হৈ তেওঁলোকক মঙ্গোলীয় জনগোট এটাত পৰিণত কৰিলে।"

সম্প্রতি অসমত পোৱা নৃগোষ্ঠীসমূহৰ মাজত অষ্ট্রলয়ড প্রজাতিৰ নৃগোষ্ঠী নাই যদিও এওঁলোকৰ সাংস্কৃতিক জীৱন প্রবাহৰ বিভিন্ন অনুসঙ্গত প্রাচীন কালতে সংমিশ্রিত হৈ পৰা অষ্ট্রলয়ড উপাদানৰ ভালেমান সাক্ষ্য লক্ষ্য কৰিব পাৰি।



জানি থোৱা ভাল

দেহৰ গঠন আৰু বৈশিষ্ট্য অনুসৰি পৃথিৱীৰ মানুহক 'প্রজাতি'ত ভাগ কৰাৰ দৰে পৃথিৱীত প্রচলিত ভাষাসমূহৰ আধাৰতো অন্য প্রকাৰে ভাগ কৰা হৈছে।

পৃথিৱীৰ ভাষাসমূহক এনেদৰে ভাগ কৰা হৈছে—

- ভাৰত ইউৰোপীয় ভাষা পৰিয়াল
- অষ্ট্রিক ভাষা পৰিয়াল
- চীন-তিব্বতীয় ভাষা পৰিয়াল
- ইউৰোপ আলটাই বাণ্টু ভাষা পৰিয়াল
- ছেমীয়-হেমীয় ভাষা পৰিয়াল
- দ্রাবিড় ইত্যাদি।

মঙ্গোলীয় প্রজাতিৰ লোকসকলে সাধাৰণতে চীন-তিব্বতীয় ভাষা কয়। একেদৰে অষ্ট্রলয়ড প্রজাতিৰ লোকসকলে মূলতঃ অষ্ট্রিক ভাষা কয় বুলি পণ্ডিতসকলে মানি লৈছে। কিন্তু একেটা প্রজাতিৰ জনগোটৰ মাজতে বেলেগ বেলেগ ভাষাগোষ্ঠীৰ ভাষাৰ প্রচলন থাকিব পাৰে বা বেলেগ বেলেগ প্রজাতিৰ জনগোটবোৰৰ মাজতো একেটা ভাষাগোষ্ঠীৰ ভাষাৰ প্রচলন থাকিব পাৰে। প্রজাতি আৰু ভাষাগোষ্ঠীৰ সম্পর্কটো নির্দ্ধাৰিত আৰু পোনপটীয়া নহয়।

অসমৰ নৃগোষ্ঠীসমূহ মূলতঃ মঙ্গোলীয় প্রজাতিৰ। কিন্তু একে মূলৰ হ'লেও এই নৃগোষ্ঠীসমূহ ভাষিক, সাংস্কৃতিক আৰু জৈৱিক বৈশিষ্ট্যৰ ফালৰ পৰা সুকীয়া সুকীয়া প্রকৃতিৰ। কাৰণ, পৃথিৱীৰ মানুহৰ ইতিহাস মূলতঃ প্রব্রজন আৰু সংমিশ্রণ-সমাহৰণৰ ইতিহাস। বিভিন্ন জনগোটৰ সংস্পর্শৰ সমান্তৰালভাৱে সাধিত পাৰস্পৰিক প্রভাবে জনগোটবোৰৰ মাজত নতুন নতুন বৈশিষ্ট্য সোমোৱাই দিছে।

মন কৰিবলগীয়া যে, সর্বভাৰতীয় সভ্যতা আৰু সংস্কৃতিত মঙ্গোলীয়সকলৰ অৱদান অষ্ট্রলয়ডসকলৰ তুলনাত নিচেই কম। এই সম্পর্কে সুনীতি কুমাৰ চেটার্জীয়ে কৈছে যে মঙ্গোলীয় লোকসকল উত্তৰৰ হিমালয়ৰ পাদদেশত, উত্তৰ বঙ্গ আৰু অসমত থূপ খাই থকাৰ বাবে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ভেটি নির্মাণত ভাগ ল'ব পৰা নাছিল। আনহাতে, অষ্ট্রিক, দ্রাবিড় আৰু আর্য্যভাষী জনপ্রবাহে ভাৰতীয় সংস্কৃতিৰ এটা পৃষ্ঠভূমি নির্মাণ কৰাৰ পিছতহে এওঁলোক ব্রহ্মপুত্র উপত্যকা আৰু ইয়াৰ মাজেদি বঙ্গ-বিহাৰলৈ বিয়পি পৰে।

পণ্ডিতসকলৰ মতে পশ্চিম ফালেদি ভাৰতলৈ আর্য্যসকলৰ প্রৰাহৰ সমসাময়িককালতে (খ্রীঃপূঃ ১৫০০ মানতে) ব্রহ্মপুত্র উপত্যকাইদি গঙ্গা উপত্যকাৰ উত্তৰৰ পার্বত্য অঞ্চললৈ মঙ্গোলীয়সকলৰ প্রব্রজন ঘটিছিল। সেই ফালৰ পৰা বিচাৰ কৰিলে ব্রহ্মপুত্র উপত্যকালৈ মঙ্গোলীয়সকলৰ প্রব্রজন তাৰো আগতেই সংঘটিত হৈছিল। বৈদিক সাহিত্যত এওঁলোকে 'কিৰাত' বোলা হৈছিল।

খ্রীষ্টপূর্ব কালতে ব্রহ্মপুত্র উপত্যকালৈ সোমাই অহা আর্য্যভাষী মানুহ, আর্যভাষা আৰু আর্য্য সংস্কৃতিয়ে এই কিৰাতসকলক লগ পাইছিলহি। ফলত মঙ্গোলীয় আৰু আর্য্যভাষীসকলৰ সংঘাত আৰু সমন্বয় ঘটিছিল। প্রব্রজিত মানুহে থলুৱা নাৰীৰ পাণি গ্রহণ কৰাৰ ফলত ৰক্তৰ সংমিশ্রণ ঘটে। এনে সংমিশ্রণৰ ফলত অসমত এফালে যিদৰে আর্য্য সংস্কৃতিৰ মাজত মঙ্গোলীয় প্রভাৱ, আনহাতে মঙ্গোলীয় ৰক্তৰ মাজত আর্য্যভাষীৰ প্রভাৱ চিনিব নোৱাৰাকৈ মিশ্রিত হৈ পৰিল।

একেদৰে, মঙ্গোলীয়সকলেও ইয়ালৈ আহি অষ্ট্রেলয়ডসকলক লগ পাইছিলহি। অষ্ট্রলয়ডসকলৰ প্রব্রজন সম্ভৱতঃ ধাৰাবাহিকভাৱে ঘটি থকা নাছিল। এবাৰ বা দুবাৰ প্রব্রজনৰ পিছত ব্রহ্মপুত্র উপত্যকালৈ অষ্ট্রলয়ডসকলৰ প্রব্রজন কিবা কাৰণত বন্ধ হৈ গৈছিল। কিন্তু টোৰ পিছত টোৰ দৰে উত্তৰ-পূব, দক্ষিণ-পূব আৰু উত্তৰ দিশেৰে মঙ্গোলীয়

লোকৰ প্ৰব্ৰজন এই ভূখণ্ডলৈ নিৰবচ্ছিন্নভাৱে ঘটি আছিল। ইয়াৰ ফলত মঙ্গোলীয় আৰু অষ্ট্ৰলয়ডসকলৰ মাজত দীৰ্ঘদিনীয়া সম্পৰ্ক সম্ভৱ হৈছিল আৰু মঙ্গোলীয়সকলৰ প্ৰভাৱত অষ্ট্ৰলয়ডসকলে নিজৰ প্ৰজাতীয় অস্তিত্ব বৰ্তাই ৰাখিব নোৱাৰিলে।

উপৰিউক্ত আলোচনাৰ পৰা নিশ্চয় বুজিব পৰা গৈছে যে অসমৰ কোনো মানুহেই নিজকে বিশুদ্ধ ৰক্তৰ বুলি দাবী কৰিব নোৱাৰে। যুগৰ সহাৱস্থান, সংমিশ্ৰণ, সমাহৰণৰ ফলশ্ৰুতিত অসমৰ মানুহৰ সুকীয়া আৱয়বিক আৰু সাংস্কৃতিক বৈশিষ্ট্য গঢ় লৈ উঠিছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমলৈ প্ৰব্ৰজন কৰা নৃ-গোষ্ঠীসমূহ কি কি? এই নৃগোষ্ঠীসমূহৰ বিষয়ে আলোচনা কৰক।

(৩৫০ টা শব্দৰ ভিতৰত লিখক)


অসমৰ নৃগোষ্ঠীসমূহৰ ভাষিক পৰিচয় ঃ সম্প্ৰতি অসমত বসবাস কৰা বিভিন্ন নৃগোষ্ঠীসমূহ মূলতঃ মঙ্গোলীয় প্ৰজাতিক অন্তৰ্গত আৰু ভাষিকভাৱে এওঁলোকে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ ভাষা কয়। অৱশ্যে বহুকেইটা নৃগোষ্ঠী ইতিমধ্যে সংস্কৃতায়ন প্ৰক্ৰিয়াৰ মাজেদি অসমীয়া ভাষী বৰ্ণহিন্দু সমাজখনৰ সাংস্কৃতিক পৰিচয়ৰ মাজত প্ৰায় বিলীন হৈ গৈছে। ফলত তেওঁলোকে কোনো ক্ষণত ঐতিহাসিক স্বকীয় ভাষা হেৰুৱাই অসমীয়া ভাষী হৈ পৰা মঙ্গোলীয় মূলীয় নৃগোষ্ঠীৰ ভিতৰত সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, মৰাণ, মটক, আহোম, শৰণীয়া কছাৰী, কোচ-ৰাজবংশী আদিয়েই প্ৰধান। এইসকল জনগোষ্ঠীয়ে কোৱা অসমীয়া ভাষাটোক অসমীয়া ভাষাৰ নৃগোষ্ঠীয় উপভাষা বুলি বিবেচনা কৰিব পাৰি। মনকৰিবলগীয়া, এনে নৃগোষ্ঠীয় উপভাষা (Ethnic Dialect)বোৰ 'নাগামিজ'ৰ দৰে পিজিন ভাষা নহয়।



জানি থোৱা ভাল

ভাৰতৰ সংবিধানে অসমৰ নৃগোষ্ঠীসমূহৰ ভিতৰৰ ২৫টা নৃগোষ্ঠীক অনুসূচিত জনজাতি (Schedule Tribes) ৰূপে তালিকাভুক্ত কৰিছে। ইয়াৰে ১৫টা পাহাৰীয়া আৰু ১৪টা ভৈয়াম জনজাতি তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। মন কৰিবলগীয়া, ইয়াৰে লালুং, হাজং, গাৰো আৰু ডিমাছাসকলক দুয়োখন তালিকাতে অন্তৰ্ভুক্ত কৰা হৈছে।

উপৰিউক্ত নৃগোষ্ঠীসমূহৰ বাহিৰে অন্যান্য নৃগোষ্ঠীসমূহৰ নিজা নিজা ভাষা আছে। এই ভাষাসমূহৰ এখন তালিকা তলত দাঙি ধৰা হ'ল—



৫.৪ অসমীয়া লোক সংস্কৃতিলৈ নৃগোষ্ঠীয় অৱদান

ইতিমধ্যে আপুনি দ্বিতীয় আৰু তৃতীয় অধ্যায়ত অসমীয়া লোকসংস্কৃতিৰ সম্পর্কে এটি সম্যক ধাৰণা লাভ কৰিলে। সেয়ে এই অধ্যায়ত অসমীয়া লোকসংস্কৃতি বিষয়ক বিশেষ আলোচনা নকৰি পোন পোনে নৃগোষ্ঠীয় অৱদানৰ প্রসঙ্গলৈ যাব বিচৰা হৈছে। তথাপি এটা কথা উনুকিয়াই যোৱা ভাল যে অসমীয়া লোকসংস্কৃতি কোনো এক মানৱ প্রজাতি অথবা ভাষিক গোটৰ লোক-সংস্কৃতি নহয়। বিভিন্ন প্রজাতি আৰু ভাষাগোটৰ সমাহৰণ-সংযুতি-সংমিশ্রণৰ মাজেদি যিদৰে 'অসমৰ মানুহ' ধাৰণা গঢ় লৈছে, একেদৰে অসমৰ মানুহৰ 'লোকসংস্কৃতিয়েই বহল অর্থত অসমীয়া লোকসংস্কৃতি। সেয়ে হ'লেও, অসমৰ প্রতিটো জনগোট/নৃগোষ্ঠীৰ লোকসাংস্কৃতিক সমলসমূহ অসমীয়া লোকসংস্কৃতিৰ উপাদান। কিন্তু সমান্তৰালভাৱে প্রতিটো নৃগোষ্ঠীৰ নিজস্ব কিছু সাংস্কৃতিক পৰিচয়ো আছে আৰু একেদৰে মঙ্গোলীয় মূলীয় নৃগোষ্ঠীসমূহৰ কিছু উমৈহতীয়া সংস্কৃতিও আছে। অ-মঙ্গোলীয় জনগোটসমূহৰ সংস্কৃতিৰ লগত এনে উমৈহতীয়া সাংস্কৃতিক উপাদানবোৰৰ পার্থক্যও স্পষ্ট। এনেবোৰ কথাৰ প্রতি লক্ষ্য ৰাখিলে অসমীয়া লোকসংস্কৃতিৰ মাজত নৃগোষ্ঠীসমূহ সামৰি লৈও বর্ণহিন্দুপ্রধান অসমীয়া ভাষী সমাজখনৰ পৰা নৃগোষ্ঠীসমূহক পৃথকে পোৱাৰ অৱকাশ ওলায়। সেয়ে ইয়াত 'অসমীয়া লোকসংস্কৃতি' বুলি কওঁতে আপুনি মূলতঃ অসমীয়া ভাষী অজনজাতীয় সমাজখনকে বুজিব লাগিব।

অসমৰ নৃগোষ্ঠীসমূহৰ কিছুমান উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্য আছে। এইখিনি কম-বেছি পৰিমাণে আটাইবোৰ নৃগোষ্ঠীৰ মাজতে বিদ্যমান। অৱশ্যে এটা কথা ঠিক যে ঐতিহাসিক সংস্কৃত্যয়ন প্ৰক্ৰিয়াৰে জনজাতীয় স্তৰৰ পৰা অজনজাতীয় সমাজ গাঁথনিৰ পিনে গতি কৰা এই নৃগোষ্ঠীসমূহৰ বহুকেইটাৰ মাজত স্বকীয় ভাষা আৰু ধৰ্মীয় আচাৰ বিশ্বাসৰ বিলোপ ঘটিছিল। গতিকে অসমৰ নৃগোষ্ঠীসমূহক দুটা প্ৰধান ভাগত ভগাই ল'ব পাৰি—

ক) স্বকীয় ভাষা ৰক্ষা কৰা আৰু জনজাতীয় বৈশিষ্ট্য সংৰক্ষণ কৰা নৃগোষ্ঠীসমূহ।

খ) স্বকীয় ভাষা ত্যাগ কৰি আৰ্য্যমূলীয় ভাষা আৰু হিন্দুসংস্কৃতি গ্ৰহণ কৰা নৃগোষ্ঠীসমূহ।

অৱশ্যে (ক) ভাগৰ মাজতো যিদৰে হিন্দু সংস্কৃতিৰ বহুবোৰ উপাদানৰ সংশ্লেষণ ঘটিছিল, একেদৰে (খ) ভাগৰ মাজতো কিছু পৰ্যায়লৈ মঙ্গোলীয় সংস্কৃতি ৰক্ষা কৰিছিল।

অসমৰ মঙ্গোলীয় মূলীয় নৃগোষ্ঠীসমূহৰ মাজত ডব্লিউ. চি. স্মিথে কেইটামান বৈশিষ্ট্য চিহ্নিত কৰি গৈছে। সেইবোৰৰ বহুকেইটা (যেনে— মূৰ চিকাৰ প্ৰথা) আজি লোপ পাইছে বা পৰিৱৰ্তন ঘটিছে। তথাপি স্মিথে দেখুওৱা কেইটামান বৈশিষ্ট্য উল্লেখযোগ্য—

১) ডেকাচাঙৰ ব্যৱহাৰ
২) চাংঘৰত বসবাস
৩) তামোল-পানৰ বহুল প্ৰচলন
৪) গাখীৰৰ প্ৰতি অনীহা, ইত্যাদি।

লীলা গগৈয়েও ১২টা বৈশিষ্ট্য দেখুৱাইছে—

১) পূজাত কেঁচা তেজৰ উপচাৰ
২) মদৰ মুকলি ব্যৱহাৰ
৩) কুকুৰা-গাহৰি পালন
৪) বিবাহত কন্যাৰ বাবে গা-ধন
৫) ঝুমখেতিৰ জনপ্ৰিয়তা
৬) শুকান মাছ-মাংসৰ প্ৰতি দুৰ্বলতা
৭) কৈৰাতজ ধৰ্ম পালন
৮) সমূহীয়া ভাৱাপন্ন সমাজ-ব্যৱস্থা
৯) মান-মৰ্যাদাৰ প্ৰশ্নত অনমনীয়তা
১০) অস্তিত্ব ৰক্ষাৰ অৰ্থে অসীম প্ৰচেষ্টা
১১) চাৰিত্ৰিক সৰলতা
১২) জাতি-বৰ্ণ ভেদভাবহীনতা

এই বৈশিষ্ট্যবোৰ কোনোটো নৃগোষ্ঠীৰ মাজতে নিৰঙ্কুশভাৱে দেখা পোৱা নাযায়। এইখিনি বৈশিষ্ট্যৰ উপৰি লোকসংস্কৃতিবিদ উপেন ৰাভা হাকাচামে কেইটামান বিশেষ বৈশিষ্ট্য আঙুলিয়াই দিছে। যেনে— বাঁহৰ ব্যাপক ব্যৱহাৰ, ৰেচমৰ বৈশিষ্ট্যসূচক প্ৰস্তুত, গোত্ৰ প্ৰথাৰ সুকীয়া বৈশিষ্ট্য তথা মোমায়েকৰ গোত্ৰৰে বিবাহক পৰম কাম্য গণ্য কৰা, তিৰোতাৰ সন্মানসূচক সামাজিক স্থান, কঁকালত বোৱা তাঁতশাল ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমৰ নৃ-গোষ্ঠীসমূহৰ সাংস্কৃতিক বৈশিষ্ট্যসমূহ কি কি? (২৫০টা শব্দৰ ভিতৰত লিখক)

এটা কথা মন কৰিবলগীয়া যে প্রাচীন কালত দ্রবিড়, অষ্টিক মূলীয় নৃগোষ্ঠীৰো অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা আছিল। সময় বাগৰাৰ লগে লগে এইসমূহ নৃগোষ্ঠী সংমিশ্রণ-সমাহৰণ প্রক্রিয়াৰে অন্যান্য জনগোটৰ লগত মিলি গ'ল যদিও অসমীয়া সংস্কৃতিৰ বিভিন্ন ৰূপে তেওঁলোকৰ সাংস্কৃতিক প্রকার্যৰ লগত চিন এৰি গ'ল। তলত এই কথাখিনিত প্রসঙ্গক্রমে আলোচনা কৰা হ'ব।

৫.৪.১ মৌখিক সাহিত্য

প্রকৃততে যুগ যুগ ধৰি হোৱা সমাহৰণ প্রক্রিয়াৰে গঢ় লোৱা অসমীয়া সংস্কৃতিত নৃগোষ্ঠীসমূহৰ কোনবোৰ উপাদান কিদৰে সোমাই আছে সেয়া খাটাংকৈ জনা টান। তথাপি বিভিন্ন ধৰণৰ অসমীয়া লোক গীত-মাত, সাধু, প্রবচনা, ফকৰা যোজনা আদিৰে মাজত লোকসাহিত্যৰ দিশেৰে সমৃদ্ধ নৃগোষ্ঠীসমূহৰ প্রভাৱৰ কথা নুই কৰিব নোৱাৰি। এই সন্দর্ভত নাহেন্দ্র পাদুনৰ এটি মন্তব্য উল্লেখ কৰিব পাৰি। "অসমীয়া লোকগীতৰ বিভিন্ন সুৰৰ লগতে চর্যাপদ, ওজাপালি, বৰগীত আদিতো জনজাতীয় লোকগীতৰ প্রভাৱ পৰাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱাৰি। বিষ্ণুপ্রসাদ ৰাভাই হিন্দুস্থানী আৰু কর্ণাটকী ৰাগ সঙ্গীত ৰ পৰা কিঞ্চিৎ পৃথক হৈ পৰা অসমৰ মার্গীয় সঙ্গীতক 'কামৰূপী সঙ্গীত' আখ্যা দিব বিচাৰিছিল। সম্ভৱতঃ সর্বভাৰতীয় সর্বজন স্বীকৃত দুটি মার্গীয় ধাৰাৰ পৰা 'কামৰূপী সঙ্গীত' বুলি আঁতৰি অহাৰ মূল কাৰণ— ইয়াৰ থলুৱা বা জনজাতীয় লোক-গীতৰ প্রভাৱৰ ফল।"

তিৰাসকলৰ হালিলাং গীত, সোণোৱাল কছাৰীসকলৰ হায়দাং গীত, হায়দাং হুঁচৰি, আইনাম, অপেশ্বৰী সবাহৰ গীত, মিছিংসকলৰ অইনিতম ইতিমধ্যে অসমীয়া আধুনিক গীত-মাতকো সমৃদ্ধ কৰিবলৈ লৈছে। তিৰা বা সোণোৱাল কছাৰী বা মৰাণ হুঁচৰিৰ স্বকীয় বৈশিষ্ট্যসূচক গীত-মাতেৰে মৰাণসকল অসমীয়া ভাষী যদিও তেওঁলোকৰ লোকগীত-মাতবোৰত তেওঁলোকৰ স্বকীয় সুৰ, কথা-অনুৰঙ্গ আৰু সাংস্কৃতিক ঐতিহ্যৰ জিলিকনি বর্তি আছে।


অসমীয়া ভাষাত 'এজন বুঢ়া আৰু পাঁচ পুতেক' সাধুটোৰ সৈতে কার্বিসকলৰ 'হাস্বতা কোঁৱৰ' আৰু বড়োসকলৰ 'আলছীয়া কোঁৱৰ' সাধুৰ বিষয়বস্তুত বিস্ময়কৰ সাদৃশ্য মন কৰিবলগীয়া। এই সম্পর্কত এটি মন্তব্য উদ্বৃত কৰিব পাৰি—

"A big number of tales and other narratives available among the different communities in this region are found to have identical

types and motifs. The tiger being scared by an imaginary dreadful thing (Dighal-thengia in Assamese and Tapta in Manipur)... ...the simpleton who is plotted against by Jealous relatives and who sucessfully turns the table against them. (Assamese, Karabi, Naga and other versions).

পৃথিৱীখনৰ সৃষ্টি সম্পৰ্কীয় লোককাহিনীবোৰৰ ক্ষেত্ৰত অসমৰ জনগোষ্ঠীয় সমাজ আৰু অজনজাতীয় সমাজৰ মাজত প্ৰচলিত কাহিনীৰ তাৎপৰ্যপূৰ্ণ মিল লক্ষণীয়। Verrier Elwinএ সেয়ে কৈছে— "Such traditions can be parralleled in both the classical and the tribal literature in India."

মন কৰিবলগীয়া, জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত বহু সাধুকথাত অজনজাতি আৰু সকলো জনজাতীয় মানুহৰ সহাৱস্থানৰ ভাব মূল সুৰ হৈ উজ্বলি আছে। উদাহৰণ স্বৰূপে, এটি কাৰ্বি সাধু অনুসৰি ও প্লাকপি নামৰ এটি চৰায়ে এটা কণী পাৰিলে আৰু সেই কণীটোৰ পৰা এজন নগা, এজন কছাৰী, এজন খাচী আৰু এজন অসমীয়া (অহোম)ৰ জন্ম হ'ল। (Elwin:1958:100-101)। অন্য এটি ৰানচু সাধু অনুসৰি এসময়ত মানুহৰ মাজত কোনো ভৈদ বা গোষ্ঠী নাছিল। সেই সময়ত এবাৰ এটা ডাঙৰ বানপানী হ'ল আৰু অসমৰ কিছুমান পাহাৰ খহি সমতল হৈ পৰিল। পাহাৰত তেতিয়াও প্ৰয়োজনীয় পানী নথকাৰ বাবে কিছু ৰানচু লোক ভৈয়ামলৈ নামি আহিল আৰু অসমীয়া হৈ পৰিল। (পূৰ্বোক্ত)।এনে ধৰণৰ সাধুবোৰৰ পৰা ধাৰণা কৰিব পাৰি যে প্ৰাচীন কালৰে পৰা অসমৰ অজনজাতি আৰু জনজাতিসকলৰ মাজত সহাৱস্থান, সমন্বয়ৰ এক সাংস্কৃতিক প্ৰক্ৰিয়া সংঘটিত হৈ আহিছে। তাৰ ফলশ্ৰুতিত এই দুই সামাজিক গোট পৰাস্পৰিকভাৱে সমৃদ্ধ হৈ অসমীয়া জাতি সত্তাক শক্তিশালী কৰি তুলিছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া মৌখিক সাহিত্যলৈ নৃগোষ্ঠীৰ অৱদান সম্পৰ্কে চমু আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

৫.৪.২ ভৌতিক সংস্কৃতি

ইতিমধ্যে পূৰ্বৰ অধ্যায়ত আপুনি ভৌতিক সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰি আহিছে। ভৌতিক সংস্কৃতিয়ে প্ৰধানত লোক-শিল্প, লোক-কলা, লোক-স্থাপত্য বিদ্যা, লোক-আভৰণ আৰু লোক-ৰন্ধন বিষয়কেইটা সামৰি লয়। একেটা নৃগোষ্ঠীৰ স্বকীয় পৰিচয় গঠনত ভৌতিক সংস্কৃতিৰ ভূমিকা অত্যন্ত তাৎপৰ্যপূৰ্ণ। ভৌতিক সংস্কৃতিয়ে নৃগোষ্ঠী একেটাৰ পৰিচয় প্ৰথমেই দাঙি ধৰিব পাৰে, কাৰণ প্ৰদৰ্শিত হয়। কোনো এজন

জনগোষ্ঠীয়ে লোকৰ সাজসজ্জাই তেওঁ প্ৰতিনিধিত্ব কৰা জনগোষ্ঠীটোৰ সম্পৰ্কে ধাৰণা দিব পাৰে।

অসমৰ মানুহে দৰাচলতে কোনো বিশেষ প্ৰজাতি বা ভাষাগোটৰ পৰিচয় বহন কৰে। নাহেন্দ্ৰ পাদুনে কোৱাৰ দৰে "অসমীয়া সংস্কৃতিক মৌলিক (Original) নাইবা মিশ্ৰিত (Mixture) বুলি কোৱাতকৈ যৌগিক (Compound) বুলি কোৱাটোহে যুগুত।" অসমীয়া ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰতো দেখা যায় জনজাতীয় আৰু অজনজাতীয় জনগোটৰ মাজত এক যৌগিক ৰূপ গঢ় লৈ উঠিছে। স্বাভাৱিকতে নৃগোষ্ঠীসমূহৰ বৰণীয় আৰু হিল্লোলমুখৰ বিচিত্ৰ ৰং-ৰূপৰ ভৌতিক সংস্কৃতিকে অসমীয়া সংস্কৃতিক এক বৰ্ণিল আয়তন প্ৰদান কৰিছে।

প্ৰথমেই মনকৰক খাদ্য তথা ৰন্ধন পদ্ধতিৰ প্ৰতি। ওচৰ-চুবুৰীয়া বাংলা, ওড়িসা বা বিহাৰীসকলৰ খাদ্যাভাসলৈ মন কৰিলেই দেখা যায় যে অসমীয়া মানুহে তেওঁলোকৰ দৰে মা-মছলা, অত্যাধিক ভজা পুৰা বা জ্বলা পছন্দ নকৰে। নৃগোষ্ঠীসমূহৰ দৰে অসমীয়া মানুহেও তেল-মছলা-জ্বলা তেনেই সীমিত ভাবেহে ব্যৱহাৰ কৰে বা নকৰে। আলু-কচুৰ পৰা আৰম্ভ কৰি মাছলৈকৈ সিজাই খাই অসমীয়া মানুহে ভাল পায়। ভাৰতৰ অন্য ঠাইত উচ্চবৰ্ণৰ মানুহে মাছ-মাংস নাখায়। কিন্তু নৃগোষ্ঠীসমূহৰ গভীৰ প্ৰভাৱত অসমৰ উচ্চবৰ্ণৰ হিন্দুৰ উপৰি বৈষ্ণৱ ধৰ্মাৱলম্বী সৱহভাগেই মাছ-মাংস খায়। ঘৰুৱাভাৱে পোহা কুকুৰা উচ্চবৰ্ণৰ মানুহৰ বাবে অভক্ষ্য যদিও সম্প্ৰতি সকলো আমিষহাৰী অসমীয়া মানুহে স্বাভাৱিকভাৱেই কুকুৰা ভক্ষণ কৰে। একেদৰে উচ্চবৰ্ণৰ হিন্দুৰ বাবে অত্যন্ত 'অখাদ্য' ৰূপে বিবেচিত, অথচ মঙ্গোলীয় নৃগোষ্ঠীসমূহৰ বাবে অত্যন্ত প্ৰয়োজনীয় আৰু প্ৰিয় গাহৰিৰ মাংস সম্প্ৰতি বহু অসমীয়া মানুহে স্বাভাৱিকভাৱে গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

অসমীয়া মানুহৰ খাদ্যাভ্যাসত খৰিছা, খাৰলী, কলাখাৰ, চুঙা-চাউল আদিৰ স্বকীয়তাপূৰ্ণ ব্যৱহাৰ মন কৰিবলগীয়া। এয়া নিশ্চিতভাৱে নৃগোষ্ঠীসমূহৰ অৱদান। আনহাতে মাটি মাহ- ঔটেঙা বা মাটি মাহৰ খাৰৰ জুতি লৈ ভাল নোপোৱা অসমীয়া মানুহ কিজানি নোলাবই। তাৎপৰ্যপূৰ্ণ কথা মাটিমাহ জনজাতীয় লোকসকলৰ অন্যতম প্ৰিয় খাদ্য। মাটিমাহৰ সৈতে গাহৰি বা কুকুৰাৰ মাংস জনগোষ্ঠীসমূহৰ মাজত বৰ সমাদৃত।

জীৱন প্ৰবাহত বাঁহৰ এৰাব নোৱাৰা ব্যৱহাৰৰ বাবে। অসমীয়া সংস্কৃতিতো বাঁহেৰে নিৰ্মিত মাছ ধৰা সামগ্ৰী; যেনে— জাকৈ, খালৈ, চেঁপা, খোকা ইত্যাদি; তাঁতৰ সঁজুলি, যেনে— ৰ-চুঙা, ৰাঁচ, দোৱপতি, ইত্যাদি, ঢাৰি, বিচনী, খৰাহী, পাঁচি, চালনী, ইত্যাদি যিমানবোৰ সামগ্ৰীৰ নিত্য ব্যৱহাৰ দেখা যায় এইবোৰ পৰোক্ষ বা প্ৰত্যক্ষভাৱে নৃগোষ্ঠীসমূহৰ অৱদান।

বিভিন্ন প্ৰকাৰৰ ৰেচম সূতাৰ ব্যৱহাৰ আৰু তাৰে নিৰ্মিত বৰ্ণিল সাজপাৰৰ ক্ষেত্ৰত মঙ্গোলীয় নৃগোষ্ঠীসমূহৰ তুলনা নাই। ৰাজমোহন নাথৰ মতে "যিসকল লোকে তিব্বত,

মধ্য এছিয়া আৰু চীনৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজেদি বিভিন্ন পথেৰে ৰেচমৰ ব্যৱসায় কৰিছিল তেওঁলোকেই কিৰাত (Scyrites/Syrites, Cirradioi, Kirerhadaes, Cilata/Cirata, Kirata) অর্থাৎ 'চেৰেক (কাপোৰ) ৰালা' আছিল।"

এৰী, পাট, মুগাৰ সূতা ঘৰুৱাভাৱে প্ৰস্তুত কৰি ঘৰুৱাভাৱে তাঁত বৈ কাপোৰ প্ৰস্তুত কৰাৰ ঐতিহ্যমণ্ডিত যি পৰম্পৰা অসমীয়া মানুহৰ (অসমৰ মানুহৰ) স্বকীয়তাৰ পৰিচায়ক সেৱা নিশ্চিতভাৱে নৃগোষ্ঠীসমূহৰ অৱদান। নৃগোষ্ঠীসমূহৰ প্ৰভাৱতে অসমৰ নাৰীসকলে ঘৰুৱা কাম-বনৰ লগতে পথাৰৰ কাম আৰু বোৱা-কটা কামতো সমানে পাকৈত।

একোটা জনগোষ্ঠীৰ ভৌতিক সংস্কৃতি বহুপৰিমাণে পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত গঢ় লয়। অসমৰ নৈপৰীয়া আৰু পাহাৰীয়া জনগোষ্ঠীসমূহৰ মাজত চাংঘৰৰ ব্যৱহাৰ এনে ভৌগোলিক আৰু প্ৰাকৃতিক কাৰণৰ ফল। তাৎপৰ্যপূৰ্ণভাৱে মনকৰিবলগীয়া অজনজাতি লোকসকলৰো ভঁৰাল ঘৰ আৰু ছাগলী ঘৰ সাধাৰণতে চাংঘৰ হয়। একেদৰে জনগোষ্ঠীয় ডেকাচাঙৰ পৰাই শঙ্কৰদেৱে নামঘৰৰ ধাৰণা লাভ কৰি নামঘৰৰ বিকাশ সাধন কৰা বুলিও বহুতে অনুমান কৰে। একেদৰে নামঘৰৰ থাপনা, ঘৰৰ কাঠৰ খুঁটা-মাৰলি আদি, মাটিৰে নিৰ্মিত সামগ্ৰী আদিত কটা নানা তৰহৰ মটিফ আৰু নক্সাবোৰৰ মাজতো জনগোষ্ঠীয় লোককলাৰ সাঁচ অনুভৱ কৰিব পাৰি। মিছিং, ৰাভা, বড়ো, কাৰ্বি, ডিমাছা আদি জনগোষ্ঠীৰ গলবস্ত্ৰ আৰু তিৰোতাৰ সাজপাৰ অথবা পুৰুষৰ চোলাবোৰত থকা নক্সাবোৰ অসমৰ অজনজাতীয় লোকসকলেও বিনা দ্বিধাই গামোচা, মেখেলা, চাদৰ আদিত ব্যৱহাৰ কৰিছে। জনগোষ্ঠীয় পুৰুষৰ চোলা আৰু কাপোৰৰ মোনা সম্প্ৰতি অজনজাতীয় লোকৰ মাজতো সমানেই সমাদৃত।

৫.৪.৩ সামাজিক লোকাচাৰ

সামাজিক লোকাচাৰ বুলিলে লোক-উৎসৱ, লোক খেল-ধেমালি, লোক ঔষধ আৰু লোকধৰ্মক প্ৰধানকৈ বুজিব পাৰে। অসম মূলতঃ কৃষিমূলক অঞ্চল। গতিকে কৃষি-কেন্দ্ৰিক অসমৰ মানুহৰ সামাজিক জীৱনপ্ৰবাহক লোকাচাৰেই বহু পৰিমাণে আৱৰি আছে।

অসমীয়া জাতিসত্তাৰ পৰিচয়সূচক বিহুৰ মাজত অষ্ট্ৰিক, মঙ্গোলীয় আৰু আৰ্য্য সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে। অসমীয়া ভাষীৰ 'বিহু'ৰ সমধৰ্মী বসন্ত উৎসৱ আৰু মাঘ-ফাগুণ মাহত কৰা খেতি সামৰা উৎসৱ নৃগোষ্ঠীসমূহে প্ৰায় একে ৰূপতে যুগ যুগ ধৰি পালন কৰি আহিছে। যেনে, বড়োসকলৰ বৈসাগু, ৰাভাসকলৰ 'বাইখো', ডিমাছাসকলৰ বুচু ডিমা আদি। ব'হাগ বিহুত গৰুকেন্দ্ৰিক লোকাচাৰসমূহ অনাৰ্য্যমূলীয়। যেনে— গৰুক মাহ-হালধিৰে গা ধুওৱা, লাও-বেঙেনা খুওৱা, মাছৰ পানী গৰুৰ খুৰাত ছটিওৱা ইত্যাদি ৰীতি অসমৰ নৃগোষ্ঠীসমূহৰ পৰাই অসমীয়া জীৱনলৈ অহা বুলি ভবাৰ অৱকাশ আছে। একেদৰে সকলোবোৰ নৃগোষ্ঠীয়েই বসন্ত উৎসৱত প্ৰাণ ঢালি গীত-নৃত্য কৰে। এই নৃত্য-গীত, বাক্য সাজপাৰৰ মাজত থকা মিল আৰু সমধৰ্মিতাই পাৰস্পৰিক সংমিশ্ৰণৰ ইঙ্গিত

দিয়ে। বিহুৰ নৃত্য ভঙ্গী, ভাব আৰু উর্ৱাকল্পৰ লগত থকা সম্পর্কৰ দৰে মিচিঙৰ আলি-আই-লৃগাং আদি উৎসৱত নচা অইনিতমৰ মিল লক্ষণীয়। একেদৰে ৰাভাসকলৰ বায়খো আৰু ছাথাৰৰ মিলো সুন্দৰ ৰূপত পৰিলক্ষিত হয়। আনহাতে, হুঁচৰিৰ লগত সোণোৱাল কছাৰীৰ হাইদাং, দেউৰীৰ হুৰাই-ৰাঙলী, তিৰাৰ লাই-হিলালী আৰু ৰাভাৰ হৈ মাৰ' গীতৰ মিল লক্ষণীয়। এনেবোৰ গীত আৰু পৰিৱেশনৰ মাজত প্রভাৱৰ কথা বিচাৰ কৰাটো অর্থহীন। বৰং এনেদৰে ক'ব পাৰি অসমৰ বসন্ত উৎসৱৰ বিচিত্র ৰূপ আৰু তাৰ লগত সম্পর্কিত পৰিৱেশ্য কলা পৰম্পৰাৰ বৈবিধ্যই অসমীয়া জাতিসত্তাৰ কলা পৰম্পৰাকে বিচিত্র বর্ণিল কৰি তুলিছে।

নৃগোষ্ঠীয় লোকসকলে (মঙ্গোলীয়সকলে) সকলোবোৰ অনুষ্ঠান উৎসৱৰ মাজেৰে হর্ষোল্লাসেৰে অনুষ্ঠিত কৰে। জীৱন যাপনৰ সংগ্রামক আনন্দঘন কৰিবলৈ গীত-মাতৰ মাজেদি উৎসৱমুখৰ কৰি ৰখা হয়। এই প্রসঙ্গতে লোকসংস্কৃতিবিদ উপেন ৰাভা হাকাচামৰ এটি মন্তব্য উদ্বৃতি কৰিব পাৰি— "পার্বতীয়া জনগোষ্ঠীয়ে নৃত্যমুখৰ পৰিৱেশেৰে ভৰিৰে গচকি বা মাৰিৰে কোবাই কৰা মৰণাৰ পৰা ভৈয়ামত গৰু এহাল জুঁটি মেৰুক কেন্দ্র কৰি পাক ঘুৰণি খুৱাই কৰা মৰণালৈ উত্তৰণৰ যি এক সুদীর্ঘ সোপান তাত বিভিন্ন নৃগোষ্ঠীয় সভ্যতা-সংস্কৃতিৰ উমৈহতীয়া অৱদান নথকা নহয়। সেইদৰে কৃষিৰ লগত জড়িত লোকচাৰসমূহত (ন-গছা লোৱা, কাতি বিহু, লখিমীৰ আগ অনা, ন-খোৱা, মাঘবিহু, ইত্যাদি) বিভিন্ন জনজাতি আৰু নৃগোষ্ঠীয় লোকৰ পাৰস্পৰিক প্রভাৱ নপৰাকৈ থকা নাই।"

বৃক্ষ পূজাক কেন্দ্র কৰি অসমত ভালেমান লোকাচাৰ প্রচলিত আছে। এই বৃক্ষ পূজা মূলতঃ জনজাতীয় লোকাচাৰ। নামনি অসমত বিভিন্ন ঠাইত পালন কৰা সূঁৰৰি, ভঠেলি আৰু দেউল উৎসৱবোৰৰ কথা এই প্রসঙ্গত উনুকিয়াব পাৰি। এই আটাইবোৰ লোক উৎসৱৰ মূলতে আছে প্রাচীন উর্ৱৰা সম্পদ।

লোকসংস্কৃতিবিদ নবীন চন্দ্র শর্মাই কৈছে— "বাঁহ লিঙ্গৰ প্রতীক। আই ধৰিত্রী বা বসুমতীৰ জৰায়ুত বাঁহ স্থাপন কৰিলে আই বসুমতী শস্যশালিনী হয় বুলি বিশ্বাস প্রচলিত আৰু এই বিশ্বাসৰ আধাৰত জন্ম হোৱা বাঁহ-পূজা বা ভঠেলি নৃত্য আৰু উৎসৱৰ।"

জনজাতীয় সংস্কৃতিত বাঁহৰ সর্বাত্মক ভূমিকাৰ কথা উনুকিয়াই অহা হৈছে। হিন্দুকৃত জনজাতিসকলৰ বাঁহকেন্দ্রিক লোকাচাৰবোৰ অর্য্য ধাৰণাই ঢাকি ধৰিলেও ৰাজবংশীসকলৰ বাঁহ পূজা উৎসৱত ইয়াৰ সামান্য আভাস পোৱা যায়। ৰাভা আৰু হাজংসকলৰ মাজতো পাওৰা বা পাৰ তোলা উৎসৱ প্রচলিত। অনুমান কৰাৰ থ'ল আছে যে জনজাতিসমূহ হিন্দুবৃত্তলৈ অহাৰ সমান্তৰালভাৱে জনজাতীয় বাঁহপূজাই আর্য্য ধাৰণাৰে নতুন ৰূপত ভঠেলি, দেউল আদি উৎসৱ ৰূপে বিকাশ লাভ কৰিলে।

অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূর্ণ অঙ্গ শঙ্কৰী সংস্কৃতিৰ বিভিন্ন অনুসঙ্গত মঙ্গোলীয় সংস্কৃতিৰ ছায়া পৰিলক্ষিত হয়। নামঘৰত গুৰু আসনত থকা উৰণীয়া সিংহ

মঙ্গোলীয় সংস্কৃতিৰ প্ৰভাৱ বুলি অনুমান কৰা হয়। গোলাপ মহন্তই কৈছে— মহাপুৰুষীয়া পৰম্পৰাৰ নাম-প্ৰসঙ্গৰ সুৰৰ লগত জনজাতীয় গীতৰ সুৰৰ সাদৃশ্য আছে (ব্যক্তিগত সাক্ষাৎকাৰ)। একেদৰে সোণোৱাল কছাৰীৰ গায়ন-বায়নৰ সৈতে শঙ্কৰী সংস্কৃতিৰ গায়ন-বায়নৰ মিল লক্ষণীয়।

অসমৰ নৃগোষ্ঠীসমূহৰ প্ৰত্যক্ষ প্ৰভাৱৰ বাবেই অসমৰ নৱবৈষ্ণৱ সংস্কৃতিত বিচিত্ৰ ৰূপৰ বিকাশ হৈছে। ৰাতিসেৱা জাতীয় অনুষ্ঠানসমূহৰ লোকাচাৰ আৰু তাত পৰিবেশিত গীতমাতবোৰৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। নৱবৈষ্ণৱ ভক্তিধৰ্মৰ অনুগামী বৰ্ণহিন্দু লোকসকলেও আই-সবাহ, লখিমী-সবাহ, তুলসী পূজা আদি কৰা দেখা যায়। বিশাল মঙ্গোলীয় নৃগোষ্ঠীৰে পৰিবেষ্টিত উজনি অসমৰ বৰ্ণহিন্দু সমাজখনৰ ধৰ্মচাৰণত মঙ্গোলীয় সংস্কৃতিৰ গভীৰ প্ৰভাৱ অনুভৱ কৰিব পাৰি।

অসমীয়া সমাজত নাৰীৰ সামাজিক স্থান ভাৰতৰ অন্য ঠাইৰ তুলনাত বহুগুণে মৰ্যাদাসম্পন্ন। জাত-পাতৰ ব্যৱস্থাত যথেষ্ট শিথিল। তদুপৰি, ওচৰৰ বাংলা সমাজৰ নাৰী ঘৰৰ ভিতৰতে আবদ্ধ হৈ থকাৰ বিপৰীতে অসমীয়া নাৰীয়ে পথাৰত ৰুৱা-তোলা কামৰ পৰা ৰেচম সুতা প্ৰস্তুত কৰি কাপোৰ বোৱালৈ সকলো কামতে দক্ষ আৰু মুকলি। বিধবা তিৰোতাৰ অৱস্থানো অন্য ঠাইৰ তুলনাত বহু পৰিমাণে সন্তোষজনক। ইয়াৰ মূলতে মঙ্গোলীয় সমাজখনৰ প্ৰভাৱ। মঙ্গোলীয় নৃগোষ্ঠীসমূহৰ মাজত তিৰোতাই ধৰ্মীয় প্ৰকাৰ্যতো গুৰুত্বপূৰ্ণ ভূমিকা লয়। দেওধনী, মঙলতী, আদিৰ উপৰি ডাইনী, বেজিনী আদি ঐন্দ্ৰজালিক বিদ্যাতো নাৰীৰেই আগস্থান। সামাজিক ক্ষেত্ৰত নাৰী স্বাভাৱজাতভাৱে লাজকুৰীয়া যদিও বৰ্ণহিন্দু সমাজত প্ৰচলিত অৱদমনমূলক সংস্কাৰ; যেনে— মাহেকীয়া ঋতুস্ৰাৱৰ সময়ৰ অশুচিতা, বিধবাৰ প্ৰতি সামাজিক অনমনীয়তামূলক আচৰণ আদি নাই। তদুপৰি অসমৰ নৃগোষ্ঠীয় সমাজত কিছু সামাজিক বিধি-ব্যৱস্থা (Customary Law) অনুসৰি একে গোত্ৰৰ তিৰোতাসকলৰ একোটি সংগঠন থাকে। এই সংগঠনৰ অনুমতি অবিহনে নাৰী একোগৰাকীৰ সন্দৰ্ভত সমাজে কোনো চূড়ান্ত সিদ্ধান্ত ল'ব নোৱাৰে। অসমীয়া সমাজতো বিবাহ আদিৰ ক্ষেত্ৰত 'আইসকলৰ' পৰা আনুষ্ঠানিক অনুমোদন লোৱা লোকাচাৰ প্ৰচলিত।

বিভিন্ন বন-লতা, ফুল-ফলৰ দ্বাৰা ৰোগীৰ চিকিৎসাৰ এক ঐতিহ্যবাহী পৰম্পৰা জনগোষ্ঠীয় সমাজখনত প্ৰচলিত হৈ আহিছে। তাৰেই প্ৰভাৱত অসমীয়া সমাজতো ঘৰুৱা চিকিৎসাৰ এক পৰম্পৰা গঢ় লৈ উঠি আজিও জনপ্ৰিয় হৈ আছে।

অসমৰ লোকসমাজৰ ধৰ্মীয় পৰিমণ্ডলত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ সৰ্বাত্মক হ'লেও নানা লোকদেৱতাৰ পূজা-সেৱাৰ এক বৰ্ণিল পৰম্পৰাও সমানেই বিদ্যমান। জনগোষ্ঠীয় জীৱনধাৰাত নানা অতিপ্ৰাকৃতিক শক্তিৰ প্ৰতি বিশ্বাস লক্ষণীয় দিশ। এই শক্তিৰ লগত তেওঁলোকে দুই ধৰণে সম্পৰ্ক স্থাপন কৰে। প্ৰথমতে অতি প্ৰাকৃতিক শক্তিবোৰক নিয়ন্ত্ৰণ কৰি বা মন্ত্ৰ অথবা কৌশলেৰে সক্ৰিয় কৰি ভাল বা বেয়া দিশত ব্যৱহাৰ কৰি; দ্বিতীয়তে,

কামনা সিদ্ধিৰ বাবে পূজা-উপাসনা কৰিছিল। হিন্দু ধর্মৰ দেৱ-দেৱী, আচাৰ-অনুষ্ঠান, কল্পনা বিশ্বাসৰ চৰিত্রৰ মূলত এনে ধৰণৰে। পণ্ডিতসকলৰ মতানুসৰি জনজাতীয় জীৱন-ধাৰাত মানি চলা ধর্মীয় দেৱ-দেৱী আৰু লোকাচাৰবোৰেই বিভিন্ন প্রক্রিয়াৰে হিন্দুধর্মৰ মাজত প্রতিষ্ঠানিক ৰূপ লাভ কৰিছে। সেয়ে G. S. Ghuryeএ কৈছে— "The tribal religion is a backward form of Hindu religion."

অসমীয়া লোক সংস্কৃতিৰ বহু দেৱ-দেৱীৰ মূল আৰু বহু ধর্মীয় লোকাচাৰৰ মূল নৃগোষ্ঠীয় সমাজখনত বিচাৰি পাব পাৰি। বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, বিষ্ণু ৰাভা আদি পণ্ডিতে দেখুৱাইছে যে 'কামাখ্যা' শব্দৰ মূল 'কামা' নামৰ দেৱী। জনজাতীয় লোকসমাজে পূজা সেৱা কৰা 'কামা' নামৰ দেৱীৰ থান সংস্কৃতায়ন প্রক্রিয়াৰ মাজেৰে হিন্দুধর্মৰ এখন গুৰুত্বপূর্ণ শক্তিপীঠলৈ ৰূপান্তৰ হ'ল। অসমীয়া লোকসমাজত সদাশিৱ ভঙুৰা, বুঢ়াগোসাঁই ৰূপে পৰিচিত। তেনেদৰে তেওঁৰ পত্নী পার্বতীও বুঢ়ীগোসাঁনী ৰূপে কল্প সলাইছে। নবীন চন্দ্র শর্মাৰ মতে "শিৱদেৱতাৰ লোক-ৰূপৰ চাৰিত্রিক বৈশিষ্ট্যত জনজাতিসকলৰ মাজত পূজিত শিৱদেৱতাৰ বৈশিষ্ট্য স্পষ্ট।" এই শিৱই বড়োসকলৰ মাজত শিৱ, গিলা, দামব্রা, ছিব্রায়, বাথৌ-বীৰায় ৰূপে, চুতীয়াসকলে শিৱ পার্বতীক বুঢ়া-বুঢ়ী ৰূপে, দেউৰী চুতীয়াসকলে গিৰা গিৰাচি বা পিচাডিমা আদি ৰূপে পৰিচিত। ৰাভাসকলৰ মাজত শিৱ দেৱতা লাঙা ৰাজা ৰূপে পৰিচিত। বিভিন্ন নৃগোষ্ঠীসমূহৰ দৰে বৃহত্তৰ অসমীয়া সমাজত শিৱৰ লৌকিক ৰূপৰে সমাদৰ বেছি।

ৰাভাসকলৰ বায়খো পূজাত অগ্নিৰ ওপৰত খোজ কঢ়া লোকাচাৰৰ লগত বর্ণহিন্দুসকলে উদ্‌যাপন কৰা মনসা পূজাত চোকা দা-ৰ ওপৰত খোজ কঢ়া লোকাচাৰৰ সমধর্মিতা মনকৰিবলগীয়া।

অসমীয়া লোকসমাজত ব্যাপক ৰূপত প্রচলিত জৰা-ফুকা, তন্ত্র- মন্ত্র, যাদুবিদ্যা ইত্যাদি অবৈদিক নীতি-নিয়ম মূলতে জনজাতিসকলৰ পৰা অহা। অসমীয়া সমাজত প্রচলিত দেও-ভূত, বীৰা, যখ, জলকুঁৱৰী, বুঢ়া-ডাঙৰীয়া আদিৰ ধাৰণা আৰু সন্তুষ্টিৰ অর্থে কৰা ধর্মীয় লোকাচাৰৰ মূলতেও নৃগোষ্ঠীয় সমাজৰ পৰম্পৰা। একেদৰে সর্পপূজা, বাঘ (বাঘেশ্বৰী) পূজা, বৃক্ষপূজা আদি লোকধর্মানুষ্ঠানবোৰে পৰোক্ষ বা প্রত্যক্ষভাৱে নৃগোষ্ঠীয় সমাজৰ অৱদান। অসমীয়া বিবাহত কইনাঘৰলৈ তামোল-পানৰ ভাৰ দিয়া, চোতাল সম্বন্ধীয় ভালেমান জনবিশ্বাস, জন্তু বলি-দিয়া প্রথা আদি কিৰাতসকলৰ অৱদান।

৫.৪.৪ লোক-পৰিৱেশ্য কলা

অসমীয়া সংস্কৃতিক যদি 'যৌগিক সংস্কৃতি' বোলা হয়, তেন্তে অসমৰ প্রতিটো খিলঞ্জীয়া নৃগোষ্ঠীৰ লোক-পৰিৱেশ্য কলাই অসমীয়া সংস্কৃতিৰ বৈচিত্র্যময় উপাদান। অসমৰ বিহু উৎসৱৰ প্রসঙ্গ পূর্বতে উনুকিয়াই অহা হৈছে। ৰঙালী বিহু বা ব'হাগ বিহুত পৰিৱেশিত নৃত্যৰ মাজত নিহিত যৌনতা তথা উর্ৰৱা কল্প বড়ো, ৰাভা, মিছিং, কার্বি,

তিৱা, দেউৰী আদি জনগোষ্ঠীয় বসন্ত উৎসৱৰে সৈতে একে। বিহুত নৃত্যৰ দৰে নৃগোষ্ঠীয় নৃত্যবোৰো সমূহীয়াভাৱে পৰিৱেশিত হয়। বিহুনৃত্যৰ লগত সঙ্গত কৰা ঢোলৰ লগত নৃগোষ্ঠীয় খ্ৰাম, ঢোলৰ গঠন আৰু বোলৰ সাদৃশ্য যিদৰে লক্ষণীয়, একেদৰে টকা, গগনা, সুতুলীৰ দৰে বাদ্যযন্ত্ৰৰ মাজতো জনজাতীয় বাদ্যযন্ত্ৰৰ প্ৰভাৱ লক্ষণীয়। নামনি অসমৰ বাঁশ পূজাৰ সৈতে জড়িত নৃত্য জনজাতীয়-অজনজাতীয় সকলোৰে মাজত সমানে সমাদৃত। লোকনৃত্যৰ ক্ষেত্ৰত অসম দৱাচলতে অত্যন্ত সমৃদ্ধ। বড়োসকলৰ খেৱাই পূজাৰ দেওধনি নৃত্য, ৰাভাসকলৰ ছাথাৰ নৃত্য, ফাৰকান্তি নৃত্য, মিচিংসকলৰ আলি-আই-লৃগাং আৰু পঃৰাগ উৎসৱত পৰিবেশন কৰা নৃত্য, কাৰ্বিসকলৰ চমাঙ্কাং উৎসৱৰ বাঞ্জাৰ কেকান নৃত্য আদিবোৰ গুটীয়াভাৱে অসমীয়া লোক-পৰিৱেশ্য কলা পৰম্পৰাক সমৃদ্ধ কৰাৰ সমান্তৰালভাৱে অসমীয়া পৰিৱেশ্য কলা-পৰম্পৰাক বিভিন্ন ধৰণে সমৃদ্ধ কৰিছে। আনকি শঙ্কৰী সঙ্গীত পৰম্পৰাৰ স্বীকৃত প্ৰতিষ্ঠানিক নৃত্যৰূপবোৰৰ বিভিন্ন হস্ত আৰু ভঙ্গীৰ মাজতো অনুসন্ধিৎসু গৱেষকে জনজাতিয় পৰিৱেশ্য পৰম্পৰাৰে নানান সাদৃশ্য দেখা পাইছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া সংস্কৃতিলৈ নৃ-গোষ্ঠীয়সকলৰ বিভিন্ন অৱদান সম্পৰ্কে আলোচনা আগবঢ়াওক।

(৩০০টা শব্দৰ ভিতৰত লিখক)

৫.৪.৫ ভাষা- সাহিত্য আৰু অন্যান্য বিভিন্ন দিশত অৱদান

অসমীয়া ভাষা দৱাচলতে নানা আৰ্য্যভিন্ন ভাষাৰ মাজত দ্বীপৰ দৰে। এই ভাষাৰ অভ্যন্তৰীণ সমৃদ্ধিত জনজাতীয় ভাষাসমূহৰ অৱদান অত্যন্ত গুৰুত্বপূৰ্ণ; কিন্তু তাতোকৈ গুৰুত্বপূৰ্ণ অসমীয়া ভাষাৰ ব্যাপ্তি আৰু স্থায়ীত্বত জনগোষ্ঠীসমূহৰ অৰিহণা। অসমত আৰ্য্য সংস্কৃতিৰ প্ৰসাৰৰ সমান্তৰালভাৱে অসমীয়া ভাষাও প্ৰসাৰিত হৈছিল আৰু জনগোষ্ঠীসমূহে সংযোগী ভাষা হিচাপে অসমীয়া ভাষাক আন্তৰিকতাৰে গ্ৰহণ কৰিলে। পৰৱৰ্তী সময়ত বহু নৃগোষ্ঠীয়ে নিজৰ ভাষা পাহৰি অসমীয়া ভাষাকে মাতৃভাষা ৰূপে গ্ৰহণ কৰিলে। ই এটা বৰ গুৰুত্বপূৰ্ণ কথা। সম্প্ৰতি নৃগোষ্ঠীসমূহৰ মাজত প্ৰচলিত অসমীয়া ভাষাৰ নৃগোষ্ঠীয় উপভাষাসমূহ অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বৈচিত্ৰ্যৰ পৰিচায়ক। কাৰণ অসমীয়া মান্যভাষাৰ প্ৰকাশিকা শক্তিক এই ঔপভাষিক ৰূপবোৰে বহু ধৰণে শক্তিশালী কৰিব পাৰে, অসমীয়া ভাষাৰ এক সবল শব্দভাণ্ডাৰ নিৰ্মাণত অৰিহণা যোগায়।

এই খিনিতে মনকৰিবলগীয়া, প্ৰাক্-শঙ্কৰী যুগৰে পৰা প্ৰাচীন অসমীয়া সাহিত্যক জনগোষ্ঠীয় ৰাজন্যবৰ্গই যিদৰে পৃষ্ঠপোষকতা আগবঢ়াই গ'ল, সিয়েই অসমীয়া সাহিত্যৰ

এক সবল ভেটি বান্ধি দিলে। ৰবাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলিয়ে আর্য্যভাষাসমূহৰ ভিতৰতে পোন প্রথমবাৰৰ বাবে *ৰামায়ণ*অসমীয়ালৈ অনুবাদ কৰিলে। একেদৰে কোচ ৰজা নৰনাৰায়ণ, কছাৰী ৰজা তাম্রধ্বজ, আহোম স্বর্গদেউসকল, দৰঙী ৰাজন্যবর্গ, দুর্লভনাৰায়ণ, আদি জনগোষ্ঠীয় ৰজাই অসমীয়া ভাষাৰ সমৃদ্ধিত ঐতিহাসিক ভূমিকা পালন কৰিলে। এই সম্পর্কে অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ অধ্যয়নৰ দ্বাৰা আপুনি বহলভাৱে জানিব পাৰিব।

আধুনিক যুগতো বিষ্ণুপ্রসাদ ৰাভা, মেদিনী চৌধুৰী, ৰূপনাথ ব্রহ্ম, ৰংবং তেৰং, লুম্বেই দাই, তৰুণ চন্দ্র পামেগাম, নাহেন্দ্র পাদুন, টাবুৰাম টাইড, উপেন ৰাভা হাকাচাম, যোগেশ দাস, ভীমবৰ দেউৰী, বলাইৰাম সেনাপতি, গগন চন্দ্র সোণোৱাল, পদ্ম পাটৰ, আদি অলেখ ব্যক্তিয়ে অসমীয়া সাহিত্যক সৃষ্টিশীল ৰচনাৰ সমান্তৰালভাৱে গৱেষণাধর্মী ৰচনাৰে সমৃদ্ধ কৰিছে।

অসমীয়া ভাষাৰ গাঁথনিক দিশটোতো জনগোষ্ঠীয় ভাষাসমূহৰ গভীৰ প্রভাৱ গৱেষকসকলে আৱিষ্কাৰ কৰিছে। বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱাই কাটি দিয়া বাটেৰে পৰৱর্তী সময়ত এই দিশত বহু চিন্তা-চর্চা হৈছে। কিন্তু এটা কথা আপুনি মনত ৰাখিব লাগিব, এনে বহুবোৰ কথা সম্ভাৱনাৰ স্তৰতে বা সাদৃশ্যৰ পর্যায়তে ৰৈ গৈছে। প্রভাৱৰ কথা খাটাংকৈ ক'ব পৰাকৈ তথ্য-পাতি বা ঐতিহাসিক সমলৰ অভাৱ। তথাপিও কেইটামান দিশত অসমীয়া ভাষালৈ জনগোষ্ঠীয় ভাষাৰ অৱদান সম্পর্কত গৱেষক পণ্ডিতসকল প্রায় একমত। প্রমোদ চন্দ্র ভট্টাচার্য্যৰ এযাৰ মন্তব্য এই প্রসঙ্গত উল্লেখ কৰিব পাৰি— "অসমীয়া ভাষাৰ সুৱদি, সুৰীয়া মাতৰ হেতু হৈছে বেছিভাগ তিব্বত-বর্মী ভাষাত থকা সুৰ প্রাধান্য (Tonal Prominance)।"

সংস্কৃত আৰু হিন্দীভাষাৰ তুলনাত অসমীয়া ভাষাৰ স্বৰধ্বনিৰ হ্রস্ব-দীর্ঘ ব্যৱধান নাই বুলিব পাৰি। একেদৰে দন্ত্য-মূর্ধণ্য ধ্বনিৰ পার্থক্যহীনতা আৰু দন্তমূলীয় ধ্বনিৰ প্রাধান্য, শ, ষ, স —এই তিনিটা ক্রমে তালব্য উষ্ম, মূর্ধণ্য উষ্ম আৰু দন্ত্য উষ্ম ধ্বনিৰ অসমীয়া ভাষাত পশ্চদন্ত্যমূলীয় সৃষ্ট ৰূপে হোৱা বিশিষ্ট উচ্চাৰণ আদিৰ মূলতে আর্য্যভিন্ন ভাষাসমূহৰ প্রভাৱ বুলি ভাষাবিদসকল প্রায় একমত।

অসমৰ ঠাইৰ নাম আৰু নদীৰ নামত আর্য্যভিন্ন জনজাতীয় ভাষাসমূহৰ প্রভাৱ ব্যাপক। কামাখ্যা, কামৰূপ, কমলপুৰ, চামতা, হাজো, ডিবং, ডিগাৰু, নামৰূপ, নামবৰ, লুইত, ডিফু, হামৰেণ, বকো, বৰমা, ৰংজুলি, দিহিং দিবাং আদি নামবোৰ অনা-আর্য্যমূলীয়। একেদৰে, মাগুৰি, জহা, আহু, শালি আদি ধানৰ নাম, কামী, ৰুৱা, মাৰলী, জপনা, ৰিহা, জাপি আদি সজুঁলিৰ নাম আদিও অনা আর্য্যমূলীয় শব্দ।

-টা, -টো, -ডাল, -কেৰা, -খিলা আদি নির্দেশবোধক পৰসর্গবোৰ অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্যসূচক। বাংলা আদি অন্যান্য আর্য্যমূলীয় ভাষাত এনে পৰসর্গৰ ব্যৱহাৰ নাই। কিন্তু অনা আর্য্যমূলীয় অসমৰ ভাষাসমূহত ইয়াৰ অৱস্থিতি লক্ষণীয়। গতিকে

এনে পৰসৰ্গৰ ব্যৱহাৰত নৃগোষ্ঠীয় ভাষাসমূহৰ প্ৰভাৱ অনুভৱ কৰিব পাৰি। একেদৰে -চোন, -দেই, -তো, -হবলা আদি স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰো নৃগোষ্ঠীয় ভাষাসমূহৰ দান।

জনগোষ্ঠীয় জীৱন আধাৰত অসমীয়া ভাষাত ভালেমান উৎকৃষ্ট সাহিত্য ৰচিত হৈছে। ৰজনীকান্ত বৰদলৈৰ *মিৰি জীয়ৰী*, উমাকান্ত শৰ্মাৰ *এজাক মানুহ এখন অৰণ্য*, ৰীতা চৌধুৰীৰ *দেওলাংখুই*; বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ *ইয়াৰুঙ্গম*, জ্যোতিপ্ৰসাদৰ *ৰূপালীম* আদি সাহিত্যকৃতিৰ কথা এই প্ৰসঙ্গত উল্লেখযোগ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমীয়া ভাষালৈ নৃ-গোষ্ঠীৰ অৱদান- আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমৰ জনগাঁথনিৰ বৈচিত্ৰ্য আৰু ঐতিহাসিক প্ৰেক্ষাপট জানিব পাৰিলোঁ।
- অসমৰ মানুহৰ মাজত অষ্ট্ৰিক, আৰ্য্য, মঙ্গোলীয় আদি বিভিন্ন প্ৰজাতিৰ সমাহৰণ- সংমিশ্ৰণ আৰু বিশেষভাৱে মঙ্গোলীয় মূলীয় মানুহৰ অংশগ্ৰহণৰ বিষয়ে জানিব পাৰিলোঁ।
- অসমীয়া লোকসংস্কৃতিৰ বিভিন্ন দিশত অসমত বসবাস কৰা নৃগোষ্ঠীসমূহৰ অৱদানৰ আভাস পালোঁ।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, লীলা (১৯৯৩); *অসমৰ সংস্কৃতি, বীণা লাইব্ৰেৰী*; গুৱাহাটী।

২) দাস, ভুবন মোহন (১৯৮৬); *অসমৰ মানুহ*, অসম সাহিত্য সভা।

৩) নেওগ, হৰিপ্ৰসাদ; গগৈ, লীলা (১৯৯৩); *অসমীয়া সংস্কৃতি*, অসম সাহিত্য সভা।

৪) পাদুন, নাহেন্দ্ৰ (১৯৯৩); *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি*, গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৫) ৰাভা হাকাচাম, উপেন (২০০৪); *বৰ অসমৰ বৰ্নিল সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) ৰাভা হাকাচাম, উপেন (২০০৫); *অসমৰ জনজাতীয় সংস্কৃতি*; গুৱাহাটী ঃ বাণী মন্দিৰ।

৭) শইকীয়া, নগেন (২০১৩); *অসমীয়া মানুহৰ ইতিহাস*, গুৱাহাটী ঃ বাথা।

৮) শৰ্মা, নবীন চন্দ্ৰ (২০০৭); *অসমীয়া লোকসংস্কৃতিৰ আভাস*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

৯) শৰ্মা, শশী (২০১১); *অসমৰ লোকসাহিত্য*, গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্ছ।

ইংৰাজী গ্ৰন্থ ঃ

1) Dutta, Birendranath, Et al (1994); *A Handbook of Folklore Material of North-East India*; North Guwahati: ABILAC.
2) Elwin, Verried (ed.) (1958); *Myths of the N.E. Frontier*.
3) Sarma Thakur, G. C. (2007); *Selected Essays of Tribes and Caste of Assam*; Part-I (Arts. & Sc.) Guwahati.

৫.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ নৃতত্ত্ববিদসকলে পৃথিৱীৰ মানুহক মূলতঃ তিনিটা ভাগত ভাগ কৰিছে...। ...কোনো কোনোৱে অষ্ট্ৰলয়ড বুলি আৰু এটা প্ৰজাতিৰ অন্তৰ্ভুক্ত কৰে যদিও...। ...এই চাৰিটা ভাগৰো কেইবাটাও উপশাখা আছে...। ...প্ৰাক্-ঐতিহাসিক কালৰে পৰা বিভিন্ন পথেৰে অসমলৈ বিভিন্ন প্ৰজাতিৰ মানুহৰ প্ৰব্ৰজন ঘটিছিল। মহম্মদ তাহেৰে এই প্ৰব্ৰজনসমূহক দহোটা ভাগত ভগাইছে.....।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ নৃ-গোষ্ঠীসমূহৰ আলোচনাৰ বাবে ইয়াৰে... ...পণ্ডিতসকলৰ মতে অষ্ট্ৰলয়ডসকলেই... ...অসম নৃগোষ্ঠীসমূহ মূলতঃ মঙ্গোলীয় প্ৰজাতিৰ...। আনহাতে, অষ্ট্ৰিক, দ্ৰাবিড় আৰু আৰ্য্যভাষী জনপ্ৰবাহে... ...অঙ্গ বিহাৰলৈ বিয়পি পৰে। খ্ৰীষ্টপূৰ্ব কালতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ... ...ফলত মঙ্গোলীয় আৰু আৰ্য্যভাষীসকলৰ সংঘাত আৰু সমন্বয় ঘটিছিল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ নৃ-গোষ্ঠীসমূহৰ কিছ উমৈহতীয়া সম্পত্তিক বৈশিষ্ট্য আছে... ...লীলা গগৈয়েও বাৰটা বৈশিষ্ট্য দেখুৱাইছে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বহুযুগীয়া সমন্বয়- সমাহৰণ প্ৰক্ৰিয়াৰে গঢ় লোৱা অসমীয়া লোকসংস্কৃতিত... ...সেয়া খাটাংকৈ কোৱা নাই। তথাপি... ...এই সম্পৰ্কত নাহেন্দ্ৰ পাদুনৰ কথা ক'ব... ...তিৱা, সোণোৱাল আদিৰ লোকগীতৰ কথা ক'ব লাগিব। কাৰ্‌বি, বড়োসকলৰ সাধুকথা আদিৰ বিষয়ে লিখিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ এই ক্ষেত্ৰত ভাষা, সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক প্ৰথা, লোকবিশ্বাসৰ বিষয়ে লিখিব লাগিব।

৫.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পৰিচয় দিয়ক—

ক) নৃগোষ্ঠী, খ) অসমৰ অনুসূচীত জনজাতি, গ) অসমৰ লোকজীৱন

প্রশ্ন ২ ঃ "অসমীয়া সংস্কৃতি মৌলিক অথবা মিশ্রিত নহয়, বৰং যৌগিক (Compound) সংস্কৃতি বুলিব পাৰি।" —কথাষাৰৰ আধাৰত অসমীয়া লোকসংস্কৃতি সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ লোক সাহিত্য আৰু জনজাতীয় সাহিত্যৰ কিবা প্রর্থক্য আছেনে? অসমীয়া লোকসাহিত্যৰ লগত অসমৰ জনগোষ্ঠীয় লোকসাহিত্যৰ পাৰস্পৰিক সম্পর্ক বিচাৰ কৰক।

প্রশ্ন ৪ ঃ অসমীয়া জনজীৱনত প্রচলিত সামাজিক লোকচাৰত নৃগোষ্ঠীসমূহৰ প্রভাৱ বিচাৰ কৰি এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ আর্য্যমূলীয় ভাষা বুলি কোৱা হ'লেও অসমীয়া ভাষাই তিব্বত-বর্মী ভাষাৰ গভীৰ প্রভাৱতহে স্বকীয়তা লাভ কৰিছে।" —কথাষাৰ যুক্তিযুক্ততা বিচাৰ কৰক।

প্রশ্ন ৬ ঃ অসমৰ লোক-পৰিৱেশ্য কলা-পৰম্পৰাত দেখা পোৱা বৈবিধ্য আৰু মনোহাৰিত্ব অসমৰ নৃগোষ্ঠীসমূহৰ অৰিহণা বিচাৰ কৰক।

*** ***** ***